৩নং প্ৰশ্নৰ উত্তৰ ঃ সংবিধানত গণৰাজ্যৰ প্ৰকৃতি, সংগঠন, ক্ষমতা, কেন্দ্ৰ আৰু ৰাজ্যৰ পাৰস্পৰিক সম্পৰ্ক, নাগৰিকৰ মৌলিক অধিকাৰ (অনুচ্ছেদ ১৩ ৰ পৰা ৩৫), নিৰ্দেশাত্মক নীতিৰ (অনুচ্ছেদ ৩৬১ পৰা ৫১) বিষয়ে এই সংবিধানত স্পষ্টৰূপত ব্যাখ্যা আছে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতাৰ বিকেন্দ্ৰীকৰণ মহাত্মা গান্ধীয়ে প্ৰথমবাৰলৈ পোষকতা কৰিছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্কচে 'ৰাজনৈতিক উচ্চ শ্ৰেণী'ক 'শাসকীয় শ্ৰেণী' বুলি অভিহিত কৰিছে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দলসমূহে সাধাৰণতে নিৰ্দিষ্ট উদ্দেশ্য, ৰাজহুৱা বিষয়ৰ কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি পৰিচালিত হলেও ইয়াৰ প্ৰধান লক্ষ্য হৈছে ৰাজনৈতিক ক্ষমতা দখল কৰা।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ নিৰ্বাচনী আয়োগে ভোটাৰ আই ডি কাৰ্ড প্ৰৱৰ্তন কৰিছিল ছদ্মবেশী ভোটাৰ আঁতৰাবলৈ।



১০.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজনৈতিক দলৰ ওপৰত এটা চমুটোকা লিখা।

প্ৰশ্ন ২ ঃ ৰাজনৈতিক উচ্চ শ্ৰেণী কাক কয়? এজন ব্যক্তিক ৰাজনৈতিক উচ্চ শ্ৰেণী আখ্যা দিব পৰা দিশসমূহৰ ওপৰত এক চমুটোকা লিখা।

প্ৰশ্ন ৩ ঃ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ অধীনত থকা বেলটিং ব্যৱস্থা আৰু মাৰ্কিং ব্যৱস্থা সন্দৰ্ভত চমু টোকা লিখা।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিষয়ে বহলাই আলোচনা কৰা।

প্ৰশ্ন ২ ঃ ভাৰতত নিৰ্বাচনী ব্যৱস্থা কেনেকৈ আৰম্ভ হৈছিল? ব্যাখ্যা কৰা।

*** ***** ***